**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ পহলগামত উপস্থিত হয় আৰু বেইচ্‌ৰণ বনাঞ্চলৰ আক্ৰমণস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

২। সকলো ৰাজনৈতিক দলৰ নেতাই পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে।

৩। সেনা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিশ্চিদ্ৰ তালাচী অভিযান চলাই আছে।

৪। ভাৰতে পেৰুত অনুষ্ঠিত আই এছ এছ এফ বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত ৭ টা পদকেৰে তৃতীয় স্থান লাভ কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

জম্মু-কাশ্মীৰৰ পহলগামত কালিৰ সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত ২৮ জন লোক নিহত হোৱাৰ পাছত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সেনা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে নিশ্চিদ্ৰ তালাচী অভিযান চলাই আছে। সেনা বাহিনীৰ নৰ্ডান কমাণ্ডাৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল এম ভি সুচেন্দ্ৰ কুমাৰে এই অভিযানৰ তদাৰক কৰি আছে। নিৰাপত্তাবাহিনীসমূহে অভিযানত স্নিফাৰ ডগো ব্যৱহাৰ কৰিছে। ঘটনাৰ তদন্তৰ বাবে নিয়োগ কৰা ৰাষ্ট্ৰীয় তদন্ত সংস্থা- এন আই এৰ দল ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে।

ইপিনে, উত্তৰ কাশ্মীৰৰ বাৰামুলা নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ উৰি নালাৰ চৰজিৱন এলেকাত সেনা বাহিনীয়ে চলোৱা অনুপ্ৰৱেশ বিৰোধী অভিযানত আজি নিচেই পুৱা দুজন সশস্ত্ৰ সন্ত্ৰাসবাদী নিহত হয়। সেনাৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি পুৱাৰ ভাগত নিয়ন্ত্ৰণ ৰেখাৰে ২-৩ জন সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশৰ চেষ্টা চলায় যদিও অঞ্চলটোত পহৰাৰত সৈনিকে তেওঁলোকক আগচি ধৰে। ইয়াৰ পাছত দুয়ো পক্ষৰ মাজত গুলীয়াগুলীৰ সূত্ৰপাত হয়। এই গুলীয়াগুলীত দুজন অনুপ্ৰৱেশকাৰী নিহত হয়। মৃত সন্ত্ৰাসবাদী দুজনৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলীবাৰুদ উদ্ধাৰ কৰা হৈছে বুলি মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়ে।

000000000

———কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ পহলগামত উপস্থিত হয় আৰু বেইচ্‌ৰণ বনাঞ্চলৰ আক্ৰমণস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ লগতে অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ থকা পৰ্যটকসকলৰ স্বাস্থ্যৰ বুজ লয়। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীনগৰত নিহত সকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। নিহতসকলৰ মৃতদেহ এখন বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ

নিজ গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা মতে, কালি পহলগামত হোৱা এই আক্ৰমণত দুগৰাকী স্থানীয় নাগৰিকসহ ২৬ জন পৰ্যটকে প্ৰাণ হেৰুৱাইছে।

পহলগাম, অনন্তনাগ, কুলগাম আৰু দক্ষিণ কাশ্মীৰৰ অন্য কাষৰীয়া জিলাসমূহত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। আৰক্ষী আৰু চোৰাংচোৱা সংস্থাসমূহে তিনিজন আক্ৰমণকাৰীৰ স্কেট্চ জাৰি কৰিছে।

ইপিনে, পহলগামত পৰ্যটকৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰতিবাদত কাশ্মীৰ উপত্যকাত আজি দিনজোৰা বন্ধৰ আহ্বান জনোৱা হৈছে। বন্ধৰ ফলত ৰাজহুৱা আৰু ব্যক্তিগত যান-বাহনৰ চলাচল ব্যাহত হৈছে। অঞ্চলটোৰ সকলো ব্যক্তিগত শিক্ষানুষ্ঠানৰ পাঠদানো স্থগিত ৰখা হৈছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সেনা বাহিনীৰ তিনিওটা শাখাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে কাশ্মীৰ উপত্যকাৰ সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা চলায়। প্ৰতিৰক্ষা সূত্ৰই প্ৰকাশ কৰা মতে বৈঠকত স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনা বাহিনীৰ মুৰব্বী এডমিৰেল দীনেশ ত্ৰিপাঠী, বায়ুসেনা বাহিনীৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল এ পি সিং আৰু জ্যেষ্ঠ বিষয়াসকলে শ্ৰী সিঙক  সাম্প্ৰতিক সুৰক্ষা পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। শীৰ্ষ বিষয়াসকল ইতিমধ্যে পহলগামৰ আক্ৰমণস্থলীত উপস্থিত হৈছে আৰু স্থানীয় লোকসকলক সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে।

০০০০০০০০০

সকলো ৰাজনৈতিক দলৰ নেতাই পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছে যে নিৰীহ জনসাধাৰণক লক্ষ্য কৰি চলোৱা এই কাপুৰুষালিভৰা আক্ৰমণ সঁচাকৈ নিন্দনীয়। তেওঁ সামাজিক মাধ্যমযোগে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অনুসৰণ কৰি আহিছে আৰু এই বৰ্বৰ আক্ৰমণৰ সৈতে জড়িতসকলক সাৰি যাবলৈ দিয়া নহ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও এই কাপুৰুষালি ভৰা আক্ৰমণক গৰিহণা দিছে আৰু আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ জ্যেষ্ঠ নেতা নীতিশ কুমাৰে এই আক্ৰমণক গৰিহণা দি কয়, যে সমগ্ৰ দেশ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ আছে। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী তথা তেলেগু দেশম প্ৰাৰ্থীৰ মুৰব্বী মুখ্যমন্ত্ৰী এম চন্দ্ৰবাবু নাইডুৱে কঠোৰ ভাষাৰে এই আক্ৰমণক সমালোচনা কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছোৱানে এই আক্ৰমণক পীড়াদায়ক বুলি অভিহিত কৰিছে। এই আক্ৰমণক গৰিহণা দি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদৰ বিভিষিকা বিৰোধী যুঁজত সমগ্ৰ ৰাষ্ট্ৰ একগোট হৈ আছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত নেতাগৰাকীয়ে এই কাপুৰুষালি ভৰা আক্ৰমণক মানৱ জাতিৰ বাবে কলংক আখ্যা দিয়ে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে কয়, যে পহলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত ভালেসংখ্যক লোক হতাহত হোৱাটো সঁচাকৈ বেদনাদায়ক। সন্ত্ৰাসবাদৰ বিৰুদ্ধে সমগ্ৰ দেশ একগোট হৈ আছে বুলি শ্ৰী গান্ধীয়ে প্ৰকাশ কৰে। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনেও এই আক্ৰমণক গৰিহণা দিছে।

০০০০০০০০০

———জম্মু-কাশ্মীৰৰ পহলগামত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পৰ্যটকক ওভতাই অনাৰ বাবে শ্ৰীনগৰৰ পৰা দিল্লী আৰু মুম্বাইলৈ চাৰিখন বিশেষ বিমানৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে আৰু কেইখনমান বিমান অতিৰিক্তভাৱে সাজু কৰি ৰখা হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৱে এইক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে পৰিস্থিতি নিৰীক্ষণ কৰি আছে। তেওঁ সকলো বিমান সংস্থাৰ পৰিচালকৰ সৈতে জৰুৰী বৈঠক অনুষ্ঠিত কৰি যাত্ৰীৰ ভাৰা বৃদ্ধি নকৰিবলৈ কঠোৰ নিৰ্দেশ জাৰি কৰিছে। মন্ত্ৰ্যালয়ে বিমান যাত্ৰাৰ নিয়মীয়া ভাৰা বাহাল ৰাখিবলৈ নিৰ্দেশ দিছে যাতে, যাত্ৰীৰ ওপৰত অতিৰিক্ত বোজা নপৰে। মন্ত্ৰী নাইডুৱে সকলো বিমান সংস্থাক পৰিবহণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। ইপিনে, অসামৰিক বিমান পৰিবহণ সংস্থাৰ সঞ্চালকালয়ে বিমান সংস্থাসমূহক শ্ৰীনগৰৰ পৰা অহা পথসমূহত বিমান সেৱা বৃদ্ধিৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে। কিয়নো ঘৰলৈ উভতি আহিব বিচৰা পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰোপৰি শ্ৰীনগৰৰ পৰা সমগ্ৰ দেশলৈ নিৰৱচ্ছিন্ন সংযোগ স্থাপনৰ জৰিয়তে আবদ্ধ যাত্ৰীসকলক উলিয়াই অনাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। বিমান সংস্থাসমূহক বিমান যাত্ৰা বাতিল আৰু পুনৰ নিৰ্ধাৰণৰ নিৰিখ ৰেহাই দিবলৈ আহ্বান জনোৱা হৈছে, যাতে আবদ্ধ যাত্ৰীসকলৰ প্ৰতি সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব পৰা যায়।

০০০০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আমেৰিকাৰ ছেন ফ্ৰান্সিস্ক'ত তথ্যপ্ৰযুক্তি খণ্ডৰ কেইবাগৰাকী কাণ্ডাৰীক সাক্ষাৎ কৰি ভাৰতত কাৰিকৰী সহযোগিতা আৰু বিনিয়োগৰ সুবিধা গ্ৰহণৰ বাবে আহ্বান জনায়। শীৰ্ষ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে হোৱা আচুতীয়া বৈঠকত শ্ৰীমতী সীতাৰমনে  কৃত্ৰিম বুদ্ধিমত্তা, ক্লাউড আৰু ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিভিন্ন সুযোগসমূহৰ বিষয়ে আলোচনা কৰে। চৰকাৰে গ্ৰহণ কৰা সংস্কাৰমূলক নীতিসমূহ সন্দৰ্ভত সকলোৰে মতামত শুনাৰ লগতে বিত্ত মন্ত্ৰীয়ে বৰ্তমানৰ নীতিৰ গাঁথনি সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ লগতে ভাৰত আৰু আমেৰিকাৰ মাজৰ গভীৰ তথা ব্যাপক পৰিসৰৰ বিনিয়োগ সহযোগিতাৰ বাবে থকা আগ্ৰহৰ বিষয়ে জনোৱাৰ লগতে বিনিয়োগৰ অভিজ্ঞতা উজু কৰাৰ বিষয়েও মত প্ৰকাশ কৰে।

০০০০০০০০০

তীখা আৰু গধুৰ উদ্যোগৰ ৰাজ্য মন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মাই ভাৰত বিশ্বৰ ভিতৰতে খাৰুৱা তীখাৰ দ্বিতীয় বৃহত্তম উৎপাদনকাৰী দেশ বুলি প্ৰকাশ কৰিছে। মঙলবাৰে নতুন দিল্লীত ইণ্ডিয়া ষ্টীল ২০২৫ সন্মিলনৰ বিষয়ে মন্তব্য কৰি শ্ৰীবাৰ্মাই কয় যে যোৱা ১০ৰ পৰা ১২ বছৰ ভাৰতৰ তীখা উদ্যোগৰ দ্ৰুত গতিত বিকাশ হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে তীখা মন্ত্ৰালয়ে কাইলৈৰ পৰা মুম্বাইত আন্তঃৰাষ্ট্ৰীয় সন্মিলন তথা প্ৰদৰ্শনীৰ জৰিয়তে ইণ্ডিয়া ষ্টীলত ষষ্ঠ সংস্কৰণৰ আয়োজন কৰিব। এই অনুষ্ঠানত তীখা আৰু সংশ্লিষ্ট উদ্যোগসমূহৰ সকলো অংশীদাৰ একত্ৰিত হ'ব বুলিও তেওঁ উল্লেখ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৭ অ'ভাৰ আৰু ৫টা বলত দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে  লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৫৯ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

পেৰুত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শ্বুটিং ফেডাৰেচন অৰ্থাৎ আই এছ্ এছ্ এফ বিশ্বকাপত তৃতীয় স্থান লাভেৰে ভাৰতে অভিযান সামৰিছে। দুটা সোণৰ, চাৰিটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদকেৰে ভাৰতে মুঠ ৭ টা পদক লাভ কৰিছে। মহিলাৰ ২৫ এম পিষ্টল শিতানত চিমৰান প্ৰীত কৌৰ ব্ৰাৰে ৰূপৰ পদক অৰ্জন কৰিছে। এয়া হৈছে - খেলুৱৈগৰাকীয়ে কোনো বৃহৎ শিতানত লাভ কৰা প্ৰথমটো পদক। পদক লাভৰ সংখ্যাৰে আমেৰিকা ভাৰতৰ সমান হ'লেও সোণৰ পদকৰ সংখ্যা ভাৰততকৈ বেছি হোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনে এই প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছে। চাৰিটা সোণৰ, তিনিটা ৰূপৰ আৰু ছটা ব্ৰঞ্জৰ পদকেৰে চীনে প্ৰথম স্থান অধিকাৰ কৰিছে।

০০০০০০০০০

সমাপ্ত